# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 31-8-2026
**Time :** 1800 PM

## *Assamese Evening Bulletin*
### Headlines
::::::::::::::::::

১। ক্ষেত্ৰীৰ পথ দুৰ্ঘটনাত মৃত্যু হোৱা লোকসকলৰ পৰিয়াললৈ মুখ্যমন্ত্ৰীৰ পাঁচ লাখ টকাকৈ আৰ্থিক সাহায্য ঘোষণা।

২। উজনি অসমৰ সাহায্যবঞ্চিত বান ক্ষতিগ্ৰস্তক কাইলৈ ১৫ হাজাৰ টকাকৈ প্ৰাৰম্ভিক সাহায্য প্ৰদান।

৩। নগাঁও লোকসভা উপ-নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত মৰিগাঁও জিলা আয়ুক্তৰ পৰ্যালোচনা বৈঠক।

***আৰু***

৪। ভাৰতীয় টেবল টেনিছ খেলুৱৈ অংকুৰ ভট্টাচাৰ্যৰ চেকিয়াত প্ৰথমটো ডব্লিউ টি টি পুৰুষৰ খিতাপ অৰ্জন।

ooooo

সোণাপুৰৰ ক্ষেত্ৰীৰ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত কালি সংঘটিত পথ দুৰ্ঘটনাত মৃত্যু হোৱা লোকসকলৰ পৰিয়াললৈ পাঁচ লাখ টকাকৈ আৰ্থিক সাহায্য আগবঢ়োৱা হ'ব। আজি দুৰ্ঘটনাস্থলী পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰিছে।

(বাইট ঃ ড০ শৰ্মা)

উল্লেখযোগ্য যে কালিৰ পথ দুৰ্ঘটনাত নিহত হোৱা লোকৰ সংখ্যা ৭ লৈ বৃদ্ধি পাইছে। দুৰ্ঘটনাত গুৰুতৰভাৱে আহত হৈ গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন হৈ থকা অনিমা ডেকা বৰদলৈ নামৰ মহিলাগৰাকীৰ আজি মৃত্যু হয়।

ইপিনে আহত আন ছজন লোক বৰ্তমান গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ আছে। ইয়াৰে দুজন লোকৰ অৱস্থা অতি সংকটজনক বুলি মহাবিদ্যালয়খনৰ অধ্যক্ষই সাংবাদিকৰ আগত প্ৰকাশ কৰিছে।

দুৰ্ঘটনাত নিহত হোৱা জ্যোতিকা ৰংহাং নামৰ এগৰাকী মহিলা আৰু গাড়ীখনৰ চালক গোপাল দাসক চিনাক্ত কৰা হৈছে। ইপিনে এই ভয়ংকৰ পথ দুৰ্ঘটনাৰ পাছতে ৰাষ্ট্ৰীয় ঘাইপথৰ দুৰৱস্থাৰ পৰ্যালোচনাৰ বাবে আজি খানাপাৰাৰ আৰক্ষী আয়ুক্তৰ কাৰ্যালয়ত এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধি, কামৰূপ মহানগৰ জিলাৰ আয়ুক্ত, ডিমৰীয়া সমজিলাৰ আয়ুক্ত, আৰক্ষী আয়ুক্ত, ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ বিষয়া, বিধায়ক তথা ডিমৰীয়াৰ দল-সংগঠনৰ প্ৰতিনিধিয়ে অংশ লয়। বৈঠকত দুৰ্ঘটনাৰ কাৰণ, ৰাষ্ট্ৰীয় ঘাই পথটোত দেখা দিয়া সমস্যাসমূহ আৰু ইয়াৰ নিৰাময়ৰ বাবে তাৎক্ষণিক আৰু দীৰ্ঘম্যাদী ব্যৱস্থাসমূহৰ বিষয়ে সবিশেষ পৰ্যালোচনা কৰা হয়। বিশেষকৈ পথছোৱাৰ সুৰক্ষা ব্যৱস্থা শক্তিশালী

কৰা, যানবাহন চলাচল নিয়ন্ত্ৰণ, প্ৰয়োজনীয় স্থানত উপযুক্ত সংকেট, পোহৰ আৰু অন্যান্য সুৰক্ষা ব্যৱস্থা নিশ্চিত কৰাৰ লগতে সংশ্লিষ্ট বিভাগসমূহৰ মাজত সমন্বয় সুদৃঢ় কৰাত গুৰুত্ব আৰোপ কৰা হয়।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে ক্ষেত্ৰীত কালি গুৱাহাটী অভিমুখী এখন যাত্ৰীবাহী বাহনে ডিভাইডাৰত খুন্দা মাৰি নিয়ন্ত্ৰণ হেৰুৱাই বিপৰীত দিশৰ পৰা আহি থকা এখন মালবাহী ট্ৰাকত খুন্দা মৰাৰ ফলত ছজন লোকৰ মৃত্যু হোৱাৰ লগতে কেইবাজনো লোক গুৰুতৰভাৱে আহত হয়। পথৰ মাজত থকা দ' গাঁতৰ বাবে এই দুৰ্ঘটনা সংঘটিত হোৱা বুলি অভিযোগ তুলি কালি স্থানীয় ৰাইজে পথ অৱৰোধ কৰি প্ৰতিবাদ সাব্যস্ত কৰে।

০০০০০

উজনি অসমৰ বান ক্ষতিগ্ৰস্ত চাৰিখন জিলাৰ সাহয্য লাভৰ পৰা বাদ পৰি যোৱা লোকসকলক ১৫ হাজাৰ টকাকৈ কাইলৈ প্ৰদান কৰা হ'ব। জীৱন প্ৰেৰণা আঁচনিৰ উপৰি চি এম ফ্লাইট আঁচনিৰ সংশোধিত নীতি অনুসৰি প্ৰথম কিস্তিৰ ধনো কাইলৈ প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত সিদ্ধান্ত লোৱা হয়।

বৈঠকত গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃগাঁথনিৰ বাবে ১০৯ কোটি টকা আৱণ্টন দিয়াৰ লগতে বিশ্ববিদ্যালয়খনক পৰৱৰ্তী সময়তো ১৪০ কোটি টকা আৱণ্টন দিব বুলি সিদ্ধান্ত গ্ৰহণ কৰা হয়। অহা ৭ ছেপ্তেম্বৰত উপ-ৰাষ্ট্ৰপতিৰ অসম ভ্ৰমণৰ কাৰ্যসূচীত এই পুঁজি বিশ্ববিদ্যালয়খনক আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ'ব। কৰ্কট ৰোগৰ উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ৬০০ কোটি টকা ব্যয়সাপেক্ষে এটা প্ৰ'টন বীম থেৰাপি কেন্দ্ৰ স্থাপনত ৰাজ্যিক মন্ত্ৰীসভাই অনুমোদন জনায়। দেশৰ ভিতৰতে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল এই বিশেষ যন্ত্ৰ সংযোজিত হোৱা প্ৰথমখন চিকিৎসা মহাবিদ্যালয় হিচাপে চিহ্নিত হ'ব। বান বিধবস্ত শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ অৰুণোদয় আঁচনিৰ হিতাধিকাৰীক ছেপ্তেম্বৰ মাহত দুহেজাৰ টকাকৈ ধন মোকলাই দিয়াৰ সিদ্ধান্ত ৰাজ্যিক মন্ত্ৰীসভাত গ্ৰহণ কৰা হয়।

বিকশিত অসমৰ ভেটি নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰৰ ইনফ্ৰা ভিজনৰ অংশ হিচাপে অহা ৫ বছৰত অসমত বিভিন্ন গুৰুত্বপূৰ্ণ আন্তঃগাঁথনি প্ৰকল্প ৰূপায়ন কৰিবলৈ ৫০ হাজাৰ কোটি টকা বিনিয়োগত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকে অনুমোদন জনাইছে। এই বৈঠকত স্বচ্ছ শক্তিৰ দিশত অগ্ৰসৰ হোৱাৰ বাবে গোৱালপাৰাৰ ৰাক্ষসিনী পাহাৰত ৩০ মেগাৱাট শক্তিসম্পন্ন সৌৰ প্ৰকল্পৰ বাবে ৫০০ বিঘা ভূমি আৱণ্টনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। তদুপৰি চন্দ্ৰপুৰ, সোণাপুৰ আৰু চাপৰকে ধৰি ৰাজ্যৰ ভিন্ন প্ৰান্তৰ কেইবাটাও অঞ্চলত অসম ঔদ্যোগিক উন্নয়ন নিগমক এহেজাৰ ৭৪ বিঘা ভূমি আৱণ্টনৰ লগতে ধেমাজিত দুগ্ধ উন্নয়ন প্ৰকল্পৰ বাবে ২৭ বিঘা ভূমি আৱণ্টনৰো সিদ্ধান্ত লোৱা হয়। চাহ বাগিচাৰ ক্ৰয়-বিক্ৰয়ৰ ক্ষেত্ৰতো কেইবাটাও নীতি নিৰ্দেশনাত অনুমোদন দিয়া হৈছে।

মন্ত্ৰীসভাই ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ দোকানত ৰাজ সাহায্যযুক্ত মচুৰ দাইল আৰু চেনি ১০৫ টকাৰ যৌথ মূল্যৰে বিতৰণ অব্যাহত ৰখাত অনুমোদন জনাইছে। ইয়াৰ ফলত ৭০ লাখৰো অধিক পৰিয়াল উপকৃত হ'ব বুলি আশা কৰা হৈছে।

০০০০০

মৰিগাঁৱৰ জিলা আয়ুক্ত সৃষ্টি সিঙৰ সভাপতিত্বত নগাঁও লোকসভা উপ-নিৰ্বাচনৰ প্ৰস্তুতি আৰু পূৰ্বৰ নিৰ্বাচনৰ পৰা অভিজ্ঞতা বিনিময় শীৰ্ষক এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত জিলা আয়ুক্তই সংশ্লিষ্ট বিষয়াসকলক বিভাগসমূহৰ মাজত সমন্বয় স্থাপন কৰি প্ৰয়োজনীয় ব্যৱস্থা সময়মতে সম্পূৰ্ণ হোৱাটো নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। চক্ৰবিষয়াসকলক তৃণমূল পৰ্যায়ত প্ৰস্তুতিসমূহ পৰ্যালোচনা কৰিবলৈ বিভিন্ন

বিষয়া আৰু কৰ্মীৰ নিয়োগ তথা নিৰ্বাচন সম্পৰ্কীয় প্ৰয়োজনীয়তাৰ বিষয়ে প্ৰতিবেদন দিবলৈ নিৰ্দেশ দিয়া হয়। জাগীৰোডৰ সহ-জিলা আয়ুক্ত হৃদয় কুমাৰ দাসে সদ্য সমাপ্ত বিধানসভা নিৰ্বাচনত উদ্ভৱ হোৱা ভালেমান বিষয় সন্দৰ্ভত আলোকপাত কৰি এইক্ষেত্ৰত যথোচিত ব্যৱস্থা গ্ৰহণত গুৰুত্ব আৰোপ কৰা হয়। জিলা উন্নয়ন আয়ুক্ত অৰপা বাগলাৰী, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সত্যজিৎ চেতিয়া, অতিৰিক্ত জিলা আয়ুক্ত ৰাকেশ ডেকা তথা আন ভালেমান বিষয়া এই বৈঠকত উপস্থিত থাকে।

০০০০০

বোকাখাটত আজি আবকাৰি বিভাগে কুৰুৱাবাহী গাঁও আৰু ইয়াৰ সমীপৱৰ্তী অঞ্চলত চুলাই মদৰ বিৰুদ্ধে অভিযান চলাই দুটা গোচৰ ৰুজু কৰে। অভিযানকাৰী দলটোৱে ৬০০ লিটাৰতকৈও অধিক চুলাই বনোৱা সামগ্ৰী আৰু ১৫ লিটাৰ অবৈধ সুৰা ঘটনাস্থলীতে বিনষ্ট কৰে। হাতীখুলি চাহ বাগিছা আৰু সংলগ্ন অঞ্চলতো অভিযান চলাই আবকাৰি বিভাগে তিনিটা গোচৰ ৰুজু কৰে। অভিযানত প্ৰায় এহেজাৰ ১০০ লিটাৰ কেঁচা সামগ্ৰী, ১৪০ লিটাৰ অবৈধ সুৰা আৰু অন্যান্য সা-সামগ্ৰী ধ্বংস কৰা হয়। জিলাখনত আবকাৰি বিভাগৰ এই অভিযান অব্যাহত থাকিব বুলি জানিব পৰা গৈছে।

০০০০০

বিশেষ টাস্ক ফোৰ্চে আজি কামৰূপ জিলাৰ চাংসাৰি থানাৰ অন্তৰ্গত গৌৰীপুৰত অভিযান চলাই পাকিস্তানৰ পৰা পৰিচালিত সন্ত্ৰাসবাদী সংগঠন শ্বাহজাদ ভাট্টি নেটৱৰ্কৰ সৈতে জড়িত থকাৰ সন্দেহত মৃগেন শালৈ নামৰ এজন লোকক গ্ৰেপ্তাৰ কৰিছে। এটা ব্যক্তিগত কোম্পানীত কাম কৰা নলবাৰী জিলাৰ বেলশৰৰ বাসিন্দা শালৈক গৌৰীপুৰৰ এটা ভাৰা ঘৰৰ পৰা গ্ৰেপ্তাৰ কৰা হয়। অভিযান কালত অভিযুক্তজনৰ ঘৰৰ পৰা আপত্তিজনক নথিপত্ৰ আৰু ইলেকট্ৰনিক সামগ্ৰী জব্দ কৰা হয়। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বে বিশেষ টাস্ক ফোৰ্চে ধুবুৰী, চিৰাং, বৰপেটা আৰু হাইলাকান্দি জিলাত অভিযান চলাই সন্ত্ৰাসবাদী সংগঠনটোৰ চাৰিজন সদস্যক গ্ৰেপ্তাৰ কৰিছিল।

০০০০০

মাজুলী বিধানসভা সমষ্টিৰ অন্তৰ্গত নামনি মাজুলীৰ লোহিত খাবলু অঞ্চলৰ মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক **টাবুৰাম টাইড শিক্ষা জ্যোতি আঁচনিৰ** অধীনত চেক বিতৰণ কৰা হয়। মিচিং স্বায়ত্ব শাসিত পৰিষদৰ উদ্যোগত অনুষ্ঠিত ২৩ নম্বৰ লোহিত পৰিষদীয় সমষ্টিৰ বিভিন্ন বিদ্যালয় আৰু মহাবিদ্যালয়ৰ পৰা ২০২৬ বৰ্ষত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ৫৮ জন মেধাৱী ছাত্ৰ-ছাত্ৰীক আৰ্থিক সাহায্যৰ চেক বিতৰণ কৰা হয়। এই অনুষ্ঠানতে সমষ্টিটোৰ অন্তৰ্গত সুদক্ষ খেলুৱৈসকলকো সম্বৰ্ধনা জনোৱা হয়। ২৩ নম্বৰ লোহিত পৰিষদীয় সমষ্টিৰ সাধাৰণ সদস্য মুকুল পেগুৱে এই চেকসমূহ বিতৰণ কৰে। হৰেণ নৰহৰ সভাপতিত্বত অনুষ্ঠিত এই কাৰ্যসূচীত নামনি সোৱণশিৰি মিচিং উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক সঞ্জীৱ কুমাৰ পায়েং সমল ব্যক্তি হিচাপে উপস্থিত থাকে।

০০০০০

ডিব্ৰুগড়ৰ ডি এইছ এছ কে বাণিজ্য মহাবিদ্যালয়ত আজি কেন্দ্ৰীয় চৰকাৰৰ দক্ষতা বিকাশ আৰু উদ্যমিতা মন্ত্ৰালয়ৰ অধীনস্থ প্ৰধানমন্ত্ৰী কৌশল বিকাশ যোজনাৰ অধীনত দক্ষতা বিকাশ কাৰ্যসূচী অনুষ্ঠিত হয়। তিনিচুকীয়া জিলাৰ কাকপথাৰত ডি আৰ ডি ফাউণ্ডেছনৰ সহযোগত আৰু দক্ষতা বিকাশ মন্ত্ৰালয়ৰ সহায়ত এই প্ৰশিক্ষণ কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। অনুষ্ঠানৰ আৰম্ভণিতে ডি এইছ এছ কে বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ জয়দেৱ গগৈয়ে আমন্ত্ৰিত অতিথি, সমল ব্যক্তি আৰু অংশগ্ৰহণকাৰীসকলক আদৰণি জনায়। ছাত্ৰ-ছাত্ৰীৰ জ্ঞানৰ লগতে ব্যৱহাৰিক দক্ষতা বিকাশৰ প্ৰয়োজনীয়তা সন্দৰ্ভত গুৰুত্ব আৰোপ কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ মহাবিদ্যালয় উন্নয়ন পৰিষদৰ সঞ্চালক ড০ ৰূপাম শইকীয়াই ভাষণ দিয়ে।

ooooo

ভাৰতীয় টেবল টেনিছ খেলুৱৈ অংকুৰ ভট্টাচাৰ্যই চেকিয়াত অনুষ্ঠিত ডব্লিউ টি টি ফীডাৰ টেবল টেনিছ প্ৰতিযোগিতাত ডব্লিউ টি টি পুৰুষৰ খিতাপ অৰ্জন কৰে। ব্যক্তিগত স্তৰত একক খিতাপৰ লগতে তেওঁ সহখেলুৱৈ আকাশ পালৰ সৈতে যৌথভাৱে পুৰুষৰ ডাবলছত স্বৰ্ণপদক লাভ কৰিবলৈ সমৰ্থ হয়। বিশ্বৰ ৭৮ সংখ্যক স্থানৰ খেলুৱৈ অংকুৰে একক শাখাৰ ফাইনেলত তৃতীয় স্থানৰ খেলুৱৈ শ্লোভেনিয়াৰ ডেনী কজুলক ৩-১ৰ ব্যৱধানত পৰাস্ত কৰি এই স্মৰণীয় সফলতা অৰ্জন কৰে। উল্লেখযোগ্য যে ভাৰতীয় খেলুৱৈজনৰ ডব্লিউ টি টি ফীডাৰত এইটোৱেই প্ৰথম একক খিতাপ।

ooooo

সমাপ্ত